# শস্যৰ উৎপাদন আৰু সংৰক্ষণ

## Chapter – 13

## পৰিৱেশ অধ্যয়ন

**১। তলৰ বাক্যকেইটা পূৰ কৰা –**

**( ক ) বালিচঁহীয়া মাটিৰ মাজেদি বোকা আৰু পলসুৱা মাটিতকৈ __পানী পাৰ যায় ।**

**উত্তৰঃ** বেছি।

**( খ ) বোকা মাটিৰ মাজেদি আটাইতকৈ ___পানী পাৰ হৈ গৈছে।**

**উত্তৰঃ** কম।

**( গ ) পলসুৱা মাটিৰ মাজেদি বালিচঁহীয়া মাটিতকৈ ___ আৰু বোকা মাটিতকৈ ___বেছি পানী পাৰ হৈ গৈছে ।**

**উত্তৰঃ** কম, বেছি।

## অনুশীলনী

**১। উত্তৰ লিখা –**

**( ক ) মাটি কেই প্ৰকাৰৰ আৰু কি কি ?**

**উত্তৰঃ** মাটি তিনি প্ৰকাৰৰ – বালিচঁহীয়া মাটি , বোকা মাটি বা আলতীয়া মাটি আৰু পলসুৱা মাটি।

**( খ ) কোনবিধ মাটিত গছপুলিৰ বৃদ্ধি ভাল হয় ?**

**উত্তৰঃ** পলসুৱা মাটিত গছপুলিৰ বৃদ্ধি ভাল হয় ।

**( গ ) খৰালি কালত কিহৰ সহায়ত খেতিপথাৰত পানী যোগান ধৰা হয় ?**

**উত্তৰঃ** খৰালি কালত কৃত্ৰিমভাৱে খেতিপথাৰত পানী যোগান ধৰা হয়। যেনেঃ বিজুলী বা ডিজেল চালিত পাম্পৰ সহায়ত নৈ , পুখুৰী আৰু নলী নাদৰ পৰা পানী যোগান ধৰি খেতি পথাৰত দিয়া হয় ।

**( ঘ ) দুবিধ জৈৱিক সাৰৰ নাম লিখা ।**

**উত্তৰঃ** গোবৰ আৰু প্ৰাণীৰ মলমূত্ৰ ।

**( ঙ ) বোকা মাটিৰ গঠন কেনেকুৱা ?**

**উত্তৰঃ** বোকা বা আলতীয়া মাটিৰ দানাবোৰ অতি ক্ষুদ্ৰ আৰু বোকাৰ পৰিমাণ বেছি । এই মাটিয়ে বহু সময় ধৰি পানী ধৰি ৰাখিব পাৰে আৰু ই বৰ আঠাযুক্ত ।

**( চ ) অধিক শস্য উৎপাদনৰ বাবে কি কি ব্যৱহাৰ কৰিব লাগে ?**

**উত্তৰঃ** অধিক শস্য উৎপাদনৰ বাবে উন্নতজাতৰ বীজ , জৈৱিক সাৰ আৰু কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব লাগে ।

**( ছ ) শস্যবোৰ ক'ত ক'ত সংৰক্ষণ কৰি থোৱা হয় ?**

**উত্তৰঃ** ভঁৰাল , ডুলি , টোম , শীতল ভঁৰাল আদি ।

**২। খালী ঠাই পূৰ কৰা –**

**( ক ) বালিচঁহীয়া মাটি ___আৰু ই পানী ধৰি ৰাখিব নোৱাৰে ।**

**উত্তৰঃ** বিন্ধাযুক্ত ।

**( খ ) ___মাটিৰ কণিকা বা দানাবোৰ অতি ক্ষুদ্ৰ আৰু বোকাৰ পৰিমাণ বেছি ।**

**উত্তৰঃ** বোকা ।

**( গ ) ___মাটিত বালি আৰু বোকাৰ পৰিমাণ সমান ।**

**উত্তৰঃ** পলসুৱা ।

**( ঘ ) পলসুৱা মাটিত ___ থাকে ।**

**উত্তৰঃ** জৈৱিক ।

**৩। শুদ্ধ উত্তৰটোত ‘      ’ চিন দিয়া –**

**( ক ) কেঁচুসাৰ এবিধ জৈৱিক সাৰ ।**

**উত্তৰঃ**

**( খ ) পলসুৱা মাটিত জৈৱিক সাৰ নাথাকে ।**

**উত্তৰঃ** x

**( গ ) অসমৰ বেছিভাগ খেতিয়কে বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি খেতি কৰে ।**

**উত্তৰঃ**

**( ঘ ) উদ্ভিদৰ বৃদ্ধিৰ বাবে মাটিৰ গুণাগুণৰ উপৰি সূৰ্যৰ তাপ , পোহৰ আৰু পানীৰ আৱশ্যক ।**

**উত্তৰঃ**

**৪। ‘ ক ’ অংশৰ লগত ‘ খ ’ অংশ মিলোৱা –**

| **‘ ক ‘** | **‘ খ ‘** |
|---|---|
| **পাম্প** | **মাটি চহ কৰা হয়।** |
| **টেক্টৰ** | **খেতি পথাৰত পানী দিয়া হয়।** |

| | |
|---|---|
| **টোম** | **শাক – পাচলি , ফল – মূল আদি বহুত দিনলৈ সতেজ কৰি ৰাখে।** |
| **শীতল ভঁৰাল** | **বীজ সংৰক্ষণ কৰা পাত্ৰ।** |

**উত্তৰঃ**

| **‘ ক ‘** | **‘ খ ‘** |
|---|---|
| পাম্প | খেতি পথাৰত পানী দিয়া হয়। |
| টেক্টৰ | মাটি চহ কৰা হয়। |
| টোম | বীজ সংৰক্ষণ কৰা পাত্ৰ। |
| শীতল ভঁৰাল | শাক – পাচলি , ফল – মূল আদি বহুত দিনলৈ সতেজ কৰি ৰাখে। |

**৫। শীতল ভঁৰাল , পণ্যাগাৰ আৰু টোমৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা ।**

**উত্তৰঃ শীতল ভঁৰাল :-** শাক – পাচলি , ফল – মূল আদি সোনকালে নষ্ট হৈ যোৱা সামগ্ৰী । সেইবাবে এইবোৰক নিৰ্দ্দিষ্ট উষ্ণতাত শীতল কৰি ৰখা হয়। ইয়াৰ ফলত এইবোৰ বহুদিনলৈ সতেজ হয় থাকে। এনেদৰে শীতল কৰি ৰাখিব পৰা ভঁৰালেই হৈছে শীতল ভঁৰাল ।

**পণ্যাগাৰ :-** কৃষিজাত শস্য যেনে- ধান , মাহ , চাহপাত আদি বিশেষভাৱে নিৰ্মাণ কৰা পণ্যাগাৰত ৰখা হয় ।

**টোম :-** বীজ সংৰক্ষণ কৰা বাবে বাঁহেৰে এটা পাত্ৰ তৈয়াৰ কৰা হয় । পাত্ৰটোৰ ভিতৰত খেৰৰ এটা পাতল তৰপ দিয়া হয় । আৰু সেই বীজ সংৰক্ষণ কৰা পাত্ৰটোৱে হৈছে টোম ।